জাতি, মাটি আৰু দেশৰ সেৱাত
দৈনন্দিন বাৰ্তা
৮ অক্টোবৰ, ২০২২ ■ শনিবাৰ ■ ২১ আহিন, ১৯৪৪ শক

দুৰ্ঘটনাত গহপুৰ কোঠাইচুকৰ দৰিদ্ৰ শ্ৰমিক ধনবৰ ভূঞাৰ মৃত্যু

দুৰ্ভগীয়া পৰিয়ালটোলৈ কণ্ঠশিল্পী দীপলিনা ডেকাৰ ২০ হাজাৰ টকাৰ আৰ্থিক সাহায্য

দৈনন্দিন বাৰ্তাৰ সেৱা, হেলেম, ৭ অক্টোবৰ ঃ ছয়দুৱাৰ মহাবিদ্যালয়ত অধ্যয়নৰত চিমেন চাপৰিৰ বিশ্বজিৎ বড়া নামৰ কুৰি বছৰীয়া এগৰাকী উদণ্ড বাইক আৰোহীয়ে দুৰ্গা পূজাৰ অষ্টমীৰ সন্ধিয়া খুন্দিয়াই নিহত কৰা গহপুৰ মহকুমাৰ অন্তৰ্গত কোঠাইচুকৰ খাটিখোৱা দিন-হাজিৰা কৰা শ্ৰমিক ধনবৰ ভূঞা (৪৬)ৰ দৰিদ্ৰ পৰিয়ালটোৱে বিভিন্নজন মানৱদৰদী লোকৰ মৰম আৰু আপদাৰত চৰম হতাশাৰ মাজতো দেখিছে আশাৰ ৰেঙনি। দৰিদ্ৰ পৰিয়ালটোৰ মূল চালিকা শক্তি ধনবৰ ভূঞাৰ মৃত্যুৰ পিছত চকুলোৰে বাট নেদেখা দুৰ্ভগীয়া পৰিয়ালটোৰ কৰুণ জীৱন গাথা বিভিন্ন সংবাদ মাধ্যমত প্ৰকাশ পাইছিল। ধনবৰ ভূঞাৰ মৃতদেহ সন্মুখত লৈ মাতৃ-পুত্ৰই সাবটি ধৰি কান্দি কান্দি কৰা কথোপকথনৰ আবেগভৰা দৃশ্যই অন্তৰ চুই গৈছিল সকলোৰে। ধনবৰ ভূঞাৰ পত্নী দীপা ভূঞাই দুই ৰুগীয়া পুত্ৰ বীতু আৰু ৰিতুক বুকুট সাবটি কান্দোনত ফাটি পৰা মৰ্মান্তিক দৃশ্য আছিল অসহনীয় আৰু যথেষ্ট বেদনাদায়ক। প্ৰধানমন্ত্ৰী আবাস যোজনাৰ আঁচনি, অৰুণোদয় আঁচনি আদিৰ চৰকাৰী সুবিধা অবিহনে জহি-খহি যোৱা এটা উৰুখা পঁজাত দৰিদ্ৰ জীৱন অতিবাহিত কৰি অহা দুৰ্ভগীয়া পৰিয়ালটোৰ কাৰুণ্য জীৱন কাহিনী বিস্তৃত আকাৰে তুলি ধৰা হৈছিল। সেইদিনা বাতৰি সংগ্ৰহৰ বাবে পৰিয়ালটোৰ ঘৰত উপস্থিত হোৱা ছয়দুৱাৰৰ সাংবাদিক ভাস্কৰজ্যোতি ভূঞাই নগদ ১০ হাজাৰ টকা আগবঢ়াই পৰিয়ালটোৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰিছিল। ইয়াৰ পিছতে বিভিন্নজন লোক আগবাঢ়ি আহে পৰিয়ালটোক আন্তৰিকতাৰে সহায় কৰিবলৈ। দুৰ্বণিৰ বহু লোকে একাউন্টৰ জৰিয়তে পৰিয়ালটোলৈ আগবঢ়াইছে আৰ্থিক সাহায্য। অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী দীপলিনা ডেকাই আজি উক্ত দুৰ্ভগীয়া পৰিয়ালটোলৈ নগদ ২০ হাজাৰ টকা আগবঢ়াই মানৱীয় প্ৰমূল্যবোধ দাঙি ধৰে। প্ৰয়াত ধনবৰ ভূঞাৰ পত্নী দীপা ভূঞা আৰু দুই পুত্ৰ বীতু আৰু ৰিতুৰ কৰুণ জীৱন কাহিনীৰ দুখ সহ্য কৰিব নোৱাৰি কণ্ঠশিল্পী দীপলিনা ডেকাই আজি তেওঁৰ চাৰিগৰাকী শুভাকাংক্ষী ক্ৰমে বিতোপন দত্ত, বিপুল গগৈ, নীলম হাজৰিকা আৰু ৰাজু দত্তৰ জৰিয়তে ২০ হাজাৰ টকাৰ আৰ্থিক সাহায্য পৰিয়ালটোৰ হাতত অৰ্পণ কৰে। কণ্ঠশিল্পী দীপলিনা ডেকাৰ এই মহানুভৱতাক শলাগ লৈছে কোঠাইচুকবাসীয়ে।

তেজপুৰত খাকী পোছাক পৰিধান কৰা একাংশ আৰক্ষীৰ গুণ্ডাগিৰি

দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ৭ অক্টোবৰ ঃ তেজপুৰত খাকী পোছাক পৰিধান কৰা একাংশ আৰক্ষীৰ গুণ্ডাগিৰি। কেতিয়াবা যদি দিন হাজিৰা কৰা শ্ৰমিকৰ ওপৰত, কেতিয়াবা আকৌ পদপথৰ লোকৰ ওপৰত পাশৱিক নিৰ্যাতন। তেজপুৰ মহাভৈৰৱ আৰক্ষী চকীৰ একাংশ গুণ্ডাৰূপী আৰক্ষীৰ প্ৰহাৰত লেবেজান এজন যুৱক। তেজপুৰ ৰঙাপুখুৰীপাৰৰ প্ৰকাশ ডেকা নামৰ যুৱকজনক দুৰ্গা পূজাৰ বিজয়া দশমীৰ দিনা দোলাবাৰীৰ লগৰ এজনৰ ঘৰত নিমন্ত্ৰণ কৰিছিল ভাত খাবলৈ। বিজয়া দশমীৰ নিশা ৰাস্তাত হৈ থকা হুলস্থূল শুনি ওলাই গৈছিল ৰাস্তালৈ। তেনেতে আহিল মহাভৈৰৱ আৰক্ষী চকীৰ এটা আৰক্ষীৰ দল। কোনোধৰণৰ সোধ-পোছ নকৰি ৰাস্তাৰ পৰা উঠাই আনিলে এজন যুৱকক। মানৱ অধিকাৰ উলংঘন কৰি পাশৱিক অত্যাচাৰ চলালে এইজন যুৱকৰ ওপৰত। দুই হাত বান্ধি উপৰ্যুপৰি প্ৰহাৰ কৰিলে যুৱকজনক। আৰক্ষীয়ে চলোৱা এই নিৰ্মম প্ৰহাৰৰ অভিযোগ কৰিলে ভুগিব লাগিব অধিক শাস্তি। এনে দৰেই চলিছে অসমৰ গৃহ বিভাগ।

খাৰুপেটীয়াত যুৱক নিৰুদ্দেশ

দৈনন্দিন বাৰ্তাৰ সেৱা, ধূলা, ৭ অক্টোবৰ ঃ দৰঙৰ খাৰুপেটীয়া আৰক্ষী থানাৰ অন্তৰ্গত ঘনশিমলী গাঁৱৰ ছাইৰুদ্দিন আহমেদৰ পুত্ৰ ছাদ্দাম হুছেইন (২৭) নিৰুদ্দেশ প্ৰায় এমাহ ধৰি নিৰুদ্দেশ হৈ আছে ছাদ্দাম হুছেইন নামৰ যুৱকজন। এমাহ পূৰ্বে ঘৰৰ পৰা পৰিয়ালৰ অজ্ঞাতে ওলাই যায় যদিও চাৰিদিন পিছত অচিনাকি এটা ফোন নম্বৰেৰে ঘৰলৈ ফোন কৰি কেৰালাত থকা বুলি পৰিয়ালক অৱগত কৰে। উল্লেখ্য যে কেৰালাত থকাৰ কথা ঘৰত অৱগত কৰাৰ পিছৰ পৰা ছুইচ অফ হৈ আছে উক্ত ম'বাইল ফোনটোৰ। বিভিন্ন ঠাইত খা-খবৰ লৈয়ো যুৱকজনৰ সন্ধান নোপোৱাত চিন্তিত হৈ পৰিছে পৰিয়ালৰ লোক। দলগাঁৱৰ কেইজনমান বন্ধুৱে কৰ্মসূত্ৰে বহিঃৰাজ্যত নি অপহৰণ কৰাৰ সন্দেহ কৰিছে পৰিয়ালৰ। ঘটনা সন্দৰ্ভত খাৰুপেটীয়া আৰক্ষী থানাত অভিযোগ দাখিল কৰি সঠিক তদন্তৰ জৰিয়তে যুৱকজনক উদ্ধাৰ কৰিবলৈ আৰক্ষী প্ৰশাসনৰ ওচৰত কাতৰ আহ্বান জনাইছে ছাদ্দাম হুছেইনৰ ভগ্নীয়ে।

তেজপুৰত শংকৰদেৱৰ জন্মজয়ন্তী উৎসৱ পালন

দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ৭ অক্টোবৰ ঃ অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠাতা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ ৫৭৪ জয়ন্তী উপলক্ষে সাংস্কৃতিক নগৰী তেজপুৰত তেজপুৰ আঞ্চলিক শ্ৰীমন্ত শংকৰদেৱ জন্মোৎসৱ সমিতিয়ে দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন কৰা হৈছে জগতগুৰুজনাৰ জন্মোৎসৱ। আজি দ্বিতীয় দিন তথা অন্তিম দিন। দ্বিতীয় দিনাও একেই পৰিৱেশ তেজপুৰৰ পক্ষীয়াঝাৰত উখল-মাখল পৰিৱেশ ৰাজপথত হৰিনাম-কীৰ্তনেৰে মুখৰ কৰি তুলিছে। শোণিতপুৰ জিলাৰ তেজপুৰ তেজপুৰ আঞ্চলিক শ্ৰীমন্ত শংকৰ জন্মোৎসৱ সমিতিয়ে পক্ষীয়াঝাৰ নামঘৰত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰে গুৰুজনাৰ ৫৭৪ সংখ্যক জন্মজয়ন্তী উৎসৱ। তেজপুৰ আঞ্চলিক শ্ৰীমন্ত শংকৰ জন্মোৎসৱ সমিতিয়ে আয়োজন কৰাএই জন্মজয়ন্তী উৎসৱত ৰাইজৰ আছিল পাৰ ভঙা উৎসাহ। ক'ভিড সৃষ্ট পৰিৱেশৰ কাৰণে তিনিটাকৈ বছৰ এই অঞ্চলত অংকীয়া ভাওনা অনুষ্ঠিত হোৱা নাছিল যদিও বৃহস্পতি বাৰে অনুষ্ঠিত দক্ষযজ্ঞ নাটখন পৰিবেশনে ভক্তপ্ৰাণ ৰাইজক আপ্তুত কৰে ।

মাজুলীৰ প্ৰতিভাশালী শিল্পী তেজস্বিতা বৰুৱাৰ মৃত্যুত প্ৰতিক্ৰিয়া

■ মাজুলীত এখন পূৰ্ণ পৰ্যায়ৰ চিকিৎসা মহাবিদ্যালয় স্থাপনৰ দাবী

দৈনন্দিন বাৰ্তাৰ সেৱা নামনি মাজুলী, ৭ অক্টোবৰ ঃ উপযুক্ত চিকিৎসাৰ অভাৱত মাজুলীৰ প্ৰতিভাশালী শিল্পী তেজস্বিতা বৰুৱাৰ মৃত্যুত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে ৰাইজৰ দলে। আজি এক সংবাদ মেল আয়োজন কৰি প্ৰতিভাৱান শিল্পীগৰাকীৰ অকাল বিয়োগত শোক প্ৰকাশ কৰি ৰাইজৰ দলৰ কেন্দ্ৰীয় মুখপাএ আৰু মাজুলী জিলা তত্ত্বাৱধায়ক টি এন প্ৰাণে সংবাদ মাধ্যমৰ আগত তেজস্বিতাৰ মৃত্যুৱে মাজুলীৰ স্বাস্থ্য ব্যৱস্থাৰ পয়ালগা স্বৰূপ উন্মোচিত কৰিছে। সৌ সিদিনা মানসপ্ৰতিম বৰা নামৰ এজন যুৱকে উপযুক্ত চিকিৎসাৰ অভাৱৰ বাবে মৃত্যুক সাবতি বলগীয়া হৈছিল। ৰাইজৰ দলে চৰকাৰক আৰু কিমানজনৰ মৃত্যু বেদনা মাজুলীবাসীয়ে সহ্য কৰিব লাগিব বুলি প্ৰশ্ন তোলে। মাজুলীত এখন পূৰ্ণ পৰ্যায়ৰ চিকিৎসা মহাবিদ্যালয় স্থাপনৰ দাবী জনায় ৰাইজৰ দলে। কালি মাজুলীলৈ আহি স্বাস্থ্যমন্ত্ৰীজনে মাজুলীৰ ৰাইজক দায়সৰা মন্তব্য প্ৰদান কৰিলে, মাজুলীলৈ আহি শোক প্ৰকাশ কৰিলেই নহয়, চিকিৎসাৰ বাবে প্ৰয়োজনীয় উন্নতমানৰ সঁজুলি প্ৰদান কৰক বুলি দাবী জনায়। আৰু কয় যে স্বাস্থ্যমন্ত্ৰীজনে কালি সংবাদ মাধ্যমৰ আগত চিকিৎসক সম্পৰ্কত অসহায় মন্তব্য কৰা পৰিলক্ষিত হ'ল। মাজুলীলৈ চিকিৎসক আহিব নিবিচাৰে, আপোনালোকে চিকিৎসক দেখুৱাই দিয়ক মই মাজুলীত নিযুক্তি দিম এই কথাৰ প্ৰত্যাহ্বান জনাই সংবাদ মেলত ৰাইজৰ দলে কয় আমি মাজুলীত চিকিৎসা সেৱা আগবঢ়াবলৈ অহা চিকিৎসক দেখুৱাই দিম বহু চিকিৎসকে মাজুলীত সেৱা আগবঢ়াবলৈ ইচ্ছুক বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে মাজুলীৰ ভাগিনসকলৰ লগত বাহু মাছেৰে ভাত খাই মাজুলীবাসীৰ ওচৰত থকা প্ৰেম দেখালেই নহ'ব, প্ৰকৃতভাৱে যদি প্ৰেম আছে মাজুলীৰ চিকিৎসা সেৱাৰ উপযুক্ত ব্যৱস্থা কৰি সকলো বিভাগৰে চিকিৎসক দি মাজুলীৰ ৰাইজক সকাহ দিবলৈ প্ৰত্যাহ্বান জনায়। উন্নত মানৰ টেলিমেডিচিন চেণ্টাৰ স্থাপন কৰাৰ ব্যৱস্থা কৰিবলৈ চৰকাৰক দাবী জনোৱাৰ লগতে দীৰ্ঘদিনে জিলা চিকিৎসালয়খনত খালী হৈ থকা ৰেডিঅ'লজিষ্ট নিয়োগ কৰিবলৈ দাবী জনায়। সংবাদ মেলখনত ৰাইজৰ দলৰ মাজুলী সমিতিৰ সভাপতি বিষ্ণুপ্ৰসাদ দেউৰী, সম্পাদক প্ৰাণজিৎ ৰাজখোৱা, চন্দ্ৰ ৰেগন, জয়ন্ত প্ৰাগাক উপস্থিত থাকে।

লিডুত শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱৰ সামৰণি

দস্যু ৰত্নাকৰৰ মুক্তিলাভ নাট-ভাওনা মঞ্চস্থ

দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ৭ অক্টোবৰ ঃ লিডু কেন্দ্ৰীয় নামঘৰত দুদিনীয়াকৈ আয়োজিত শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪সংখ্যক জন্মোৎসৱৰ আজি সফল সামৰণি পৰে। বিগত বৰ্ষসমূহৰ দৰে এইবছৰো মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪সংখ্যক জন্মোৎসৱভাগি তিনিচুকীয়া জিলাৰ লিডু কেন্দ্ৰীয় নামঘৰত দুদিনীয়াকৈ অনুষ্ঠিত হৈ যায়। চেমনীয়াসকলৰ দ্বাৰা দীপাংকৰ শৰ্মাৰ পৰিচালনাত দস্যু ৰত্নাকৰৰ মুক্তি লাভ নামৰ নাট ভাওনা মঞ্চস্থৰে অনুষ্ঠানৰ সফল সামৰণি পৰে। কাৰ্যসূচী অনুসৰি, বুধবাৰে পুৱা ৮ বজাত পতাকা উত্তোলন কৰে উদ্‌যাপন সমিতিৰ সভাপতি ৰাণাজ্যোতি নেওগে, বন্তি প্ৰজ্বলন কৰে তৰুণ গগৈ, দীপক চেতিয়া আৰু ধীৰাজ সোণোৱালে। তাৰ পাছতে চিত্ৰাংকন আৰু ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত হয়। দিনৰ ১১ বজাত ভাগৱত ভ্ৰমণ উলিওৱা হয়। তাৰ পাছতে নাম প্ৰসংগ অনুষ্ঠিত হয়। নামাচাৰ্য ৰূপে শিৱসাগৰৰ অশ্বিনী শইকীয়াই অংশ লয়। সন্ধিয়া ৫.৩০ বজাত ৫৭৪ গছি বন্তি প্ৰজ্বলন কৰা হয়। বৃহস্পতিবাৰে সদৌ অসম ভিত্তিত দিহানাম প্ৰতিযোগিতা (মহিলা আৰু শিশুসকলৰ মাজত) আৰু বৰগীত প্ৰতিযোগিতা অনুষ্ঠিত হয়। দিহানাম প্ৰতিযোগিতাত (মহিলা) প্ৰথম শ্ৰেষ্ঠ দলৰ খিতাপ যুটীয়াভাৱে লাভ কৰে শংখধ্বনি দিহানামৰ দল, মাৰ্ঘেৰিটা, লিডু কেন্দ্ৰীয় নামঘৰৰ দিহানামৰ দলে। দ্বিতীয় স্থান লাভ কৰে জংলোকুৰুকা দিহানামৰ দলে। চেমনীয়া শাখাত প্ৰথম, দ্বিতীয় তৃতীয় স্থান লাভ কৰে ক্ৰমে—উজ্জয়িনী দিহানামৰ দল, পাৰিজাত দিহানামৰ দল, কৃষ্ণপ্ৰিয়া দিহানামৰ দলে। বৰগীত প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় স্থান লাভ কৰে ক্ৰমে—লেখিকা নেওগ আৰু সুজাতা গগৈ হাজৰিকাই। নিশা ৮ বজাত উদ্‌যাপন সমিতিৰ সভাপতি ৰাণাজ্যোতি নেওগৰ পৌৰোহিত্যত মুকলি সভা আৰু বঁটাবিতৰণী অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত নামঘৰ পৰিচালনা সমিতিৰ সভাপতি তৰুণ গগৈ, অৱসৰপ্ৰাপ্ত শিক্ষকদ্বয় লোকনাথ কৌৰৰ, ডম্বৰুধৰ নেওগ, লিলি চাংমাই বিশিষ্ট ভকত পুষ্প গগৈ, প্ৰদীপ ফুকন, ৰীনু চেতিয়া, তপন দে', উৎপল কৌৰৰ আদি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকি বিজয়ী প্ৰতিযোগীসকলক বঁটা বিতৰণ কৰে। সন্ধিয়া ৮ বজাত গায়ন-বায়ন প্ৰদৰ্শনৰ পাছতে নিশা ১০ বজাত চেমনীয়াসকলৰ দ্বাৰা বায়ন তথা সাংবাদিক দীপাংকৰ শৰ্মাৰ পৰিচালনাত দস্যু ৰত্নাকৰৰ মুক্তি লাভ নামৰ নাট ভাওনা মঞ্চস্থ হয়। নতুন প্ৰজন্মৰ শিল্পীসকলৰ দ্বাৰা মঞ্চস্থ নাট ভাওনাই সকলোকে মোহিত কৰে।

মুক্তিযোদ্ধা যদু বৰুৱাৰ দেহাৱসান

দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ৭ অক্টোবৰ ঃ কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ মুক্তিযুঁজাৰু পেন্সনাৰ, নাজিৰাৰ মেজেঙা বৰাখোৱা গাঁও নিৱাসী মুক্তিযোদ্ধা যদু বৰুৱাৰ (৯৯) আজি দেহাৱসান ঘটে। ভাৰতৰ স্বাধীনতা সংগ্ৰামত জড়িত যদু বৰুৱাই নাজিৰাৰ মেজেঙা অঞ্চলত কে'বাখনো বিদ্যালয়ৰ প্ৰতিষ্ঠাৰ লগতে গাঁওৰক্ষী বাহিনীৰ সভাপতিকে ধৰি বহু অনুষ্ঠানৰ লগত জড়িত হৈ মৃত্যুৰ সময়লৈকে নাজিৰা জিলা মুক্তিযুঁজাৰু সন্মিলনীৰ উপদেষ্টা হিচাপে কাৰ্যনিৰ্বাহ কৰি আহিছিল। তেওঁৰ মৃত্যুত সাংসদ তপন কুমাৰ গগৈ, নাজিৰাৰ বিধায়ক দেৱব্ৰত শইকীয়া, জিলা বিজেপিৰ সভাপতি ময়ূৰ বৰগোহাঁই, নাজিৰাৰ মহকুমাধিপতি, শিৱসাগৰ জিলা বিজেপিৰ সংখ্যালঘু মৰ্চাৰ সম্পাদক ৰেকিবুৰ ৰহমানকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে। কাইলৈ ৰাষ্ট্ৰীয় মৰ্যাদাৰে অন্ত্যেষ্টিক্ৰিয়া কৰা হ'ব। মৃত্যুৰ সময়ত মুক্তিযোদ্ধাগৰাকীয়ে পত্নীসহ তিনিজন পুত্ৰ, দুগৰাকী জীসহ বহু আত্মীয়ক এৰি যায়।

শিৱসাগৰত নিশা আৰক্ষীৰ অভিযান

জব্দ হ'ল চাৰিখনকৈ গৰুভৰ্তি বাহন

দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি শিৱসাগৰ, ৭ অক্টোবৰ ঃ শিৱসাগৰ সদৰ আৰক্ষীয়ে এক গোপন সূত্ৰৰ পমখেদি আজি পুৱতি নিশা নগৰৰ পৰা প্ৰায় তিনি কিলোমিটাৰ মান নিলগৰ বনিয়াবাৰীত চাৰিখনকৈ গৰুভৰ্তি বলেৰ' পিক আপ জব্দ কৰিবলৈ সক্ষম হয়। এই চাৰিখন বাহনত মুঠ ৩২টা গৰু বহিঃ জিলালৈ নিয়াৰ বাবে এই পথেৰে গৰু ব্যৱসায়ীকেই গৰাকীযে সৰবৰাহ কৰিছিল। শিৱসাগৰ সদৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া যুগল কিশোৰ কলিতাই প্ৰকাশ কৰা অনুসৰি এক গোপন খবৰৰ ভিত্তিত আৰক্ষীয়ে অভিযান চলাওঁতে গৰুভৰ্তি এই চাৰিখন বাহন জব্দ কৰাৰ লগতে বাহনকেইখনত অহা সাত গৰাকী লোকক সোধা-পোছাৰ বাবে থানালৈ অনা হৈছে। ইতিমধ্যে আৰক্ষীয়ে আটক কৰা ব্যক্তিকেই গৰাকী হ'ল ক্ৰমে—ছফিকুৰ ৰহমান, মুকিবুৰ ৰহমান, আফতাব আলী, সঞ্জয় বৰা, ইমদাদ আহমেদ, বুবুটু আলী আৰু ছইফুল ইছলাম। ইফালে, জব্দকৃত গাড়ীকেইখন হ'ল এএছ ০৪ বিচি ৭০৩০, এএছ ০৪ বিচি ৬৪৭৩, এএছ ০৩ চিচি ৩২৫৫ আৰু এএছ ০৩ চি চি ৩০৪০। বিষয়াগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি গৰু কঢ়িয়াই অনা গাড়ীৰ থাকিব লাগিব জীৱ-জন্তু সৰবৰাহ কৰিব পৰা অনুমতি-পত্ৰ। ইয়াৰ লগতে জিলা অতিক্ৰম কৰি আন জিলালৈ জীৱ-জন্তু নিবলৈ হ'লে জিলা পশু চিকিৎসালয়ৰ প্ৰমাণ-পত্ৰৰ প্ৰয়োজন হ'ব। কিন্তু প্ৰাথমিক অনুসন্ধানত জীৱ-জন্তু সৰবৰাহ কৰিবৰ বাবে পৰিবহণ বিভাগৰ যি অনুমতি-পত্ৰৰ বাহনক প্ৰয়োজন হয় এই প্ৰমাণ-পত্ৰ জব্দকৃত বাহনৰ কাৰোবাৰ কাৰোবাৰ নাই। আনহাতে, পশু চিকিৎসালয়ৰো প্ৰমাণ-পত্ৰ অবিহনে গৰুসমূহ সৰবৰাহ কৰা হৈছে। গৰুসমূহ চুৰি নে অথবা বৈধ এই ক্ষেত্ৰত আৰক্ষীৰ তৰফৰ পৰা অনুসন্ধান চলোৱা হৈছে বুলি বিষয়াগৰাকীয়ে জানিবলৈ দিয়ে। আটকাধীন ব্যক্তিকেই গৰাকীৰ পৰা থাওৱা বিধানসভা সমষ্টিৰ অন্তৰ্গত ৰাজমাই পশু বজাৰৰ চৰকাৰী গৰু বিক্ৰী কৰা ৰছিদ আৰক্ষীয়ে লাভ কৰিছে। আটকাধীন লোককেইজনে প্ৰকাশ কৰা অনুসৰি আৰক্ষীয়ে জব্দ কৰা আটাইকেইটা গৰু নীতিগতভাৱে ক্ৰয় কৰি অনা হৈছে। ইফালে, আৰক্ষীৰ জিম্মাত থকা ৩২টা গৰুৰ স্বাস্থ্য পৰীক্ষা কৰিবৰ বাবে জিলা পশুপালন বিষয়াসহ এটা দলে শিৱসাগৰ সদৰ থানাত উপস্থিত হৈ গৰুখিনিৰ স্বাস্থ্য পৰীক্ষা কৰে। এটা স্বেচ্ছাসেৱী সংগঠনে গৰুসমূহক খাদ্য যোগান ধৰা পৰিলক্ষিত হয়। এই বাতৰি যুগুত কৰা সময়লৈকে জব্দকৃত গৰুসমূহ শিৱসাগৰ সদৰ থানাৰ সন্মুখতেই আছে যদিও গৰুসমূহক অন্য স্থানলৈ স্থানান্তৰিত কৰা হ'ব বুলি জানিব পৰা গৈছে। জানিব পৰা মতে বৰ্তমানলৈকে গৰুসমূহৰ মূল মালিকক আৰক্ষীয়ে সোধা-পোছাৰ বাবে বিচাৰি আছে যদিও পোৱা নাই।

বৈদ্যুতিক কাম

নিবিদা জাননী নং. ঃ এছআৰ. ডিইহ/এলএমজি/১৩ অৰ ২০২২-২৩, তাৰিখ ঃ ৩০-০৯-২০২২, নিম্নলিখিত কামৰ বাবে নিম্নস্বাক্ষৰকাৰীৰ দ্বাৰা ই-নিবিদা আহবান কৰা হৈছে। **নিবিদা নং. ঃ** ইএল/এলএম/২২-২৩/১৩। **কামৰ নাম ঃ** ডিচিচি/লামডিঙক এমটিডিচি (বৈদ্যুতিক অংশলৈ ৰূপান্তৰ কৰাৰ সন্দৰ্ভত বৈদ্যুতিক কাম। **নিবিদা মূল্য ঃ** ১০,২১,৯৯২.৬৪ টকা; **আমানত ধন ঃ** ২০,৪০০/- টকা; নিবিদা **বন্ধ** কৰাৰ **তাৰিখ** আৰু **সময় ২৫-১০-২০২২ৰ ১১:০০** ঘণ্টাত আৰু **মুকলি** কৰা হ'ব **১১:৩০** ঘণ্টাত। উপৰোক্ত ই-নিবিদাৰ সম্পূৰ্ণ তথ্য আৰু নিবিদাৰ নথি পত্ৰ **২৫-১০-২০২২ তাৰিখৰ ১১:০০** ঘণ্টালৈকে বেবছাইট **www.ireps.gov.in** ত উপলব্ধ হ'ব।

জ্যেষ্ঠ ডিইই, লামডিং
উত্তৰ-পূব সীমান্ত ৰে'লৰে
হাঁহিমুখে গ্ৰাহকৰ সেৱাত

LOST

I have lost my original H.S.L.C. Registration certificate bearing Reg. No. 17/RV/0058/320080 of session 2021-22.
Address
Lavoni Begum
D/ O: Sohidul islam
Miah
Vill:Shimultapu No-3
PO:Shimultapu
PS:Gossaigaon
Dist:Kokrajhar
BTR(Assam)
PiN:783361
Ph:7637811372

MISSING INFORMATION

The above is photographs are of Sri Sahid Kujur (8 Yrs 4 Month) S/O Sri Raju Kujur, Vill- Mazbat Bishnu Nagar(Kalyan Ashram) PS- Mazbat, District- Udalguri who has been missing since 17/09/2022 from his home .

This refers to Mazbat PS C/No - 41/22, U/S 363 IPC and this office Man Missing Register Entry No. 43 (A)-5 Dtd, 22/09/2022.

Descriptive Roll of the Missing Child:

1. Complexion - Dark
2. Age - 8 Yrs 4 Month
3. Height - 3.5 Feet
4. Built. - Medium
5. Language - Adivasi

All efforts may be made to trace out/recover the above noted missing Children at the earliest and result thereof may be intimated to this office at the following helpline numbers for further necessary action: 6026101138 (Cell phone).

/
Superintendent of Police)
Udalguri, Assam

Janasanyog /D/13568/22

NEMCARE
Group of Institutions
Approved By: HFW Govt. of Assam, AICTE, PCI and INC Govt. of India, and IMA
Affiliated to: SSUHS, Govt. of Asssam, ASTU Govt. of Assam, ANC Govt of Assam

ADMISSION OPEN FOR 2022-23

OUR COURSES
- B Pharm
- BSc Nursing
- D Pharm
- GNM
- B Pharm (Lateral)
- Master in Hospital Administration

CALL NOW FOR MORE INFORMATION
*SPECIAL SCHOLARSHIP AVAILABLE
Education Loan Facilities Available
98540 07355
98540 07356
www.ngiguwahati.in
info@ngiguwahati.in
Campus: NH-37, Santipur, Mirza, Kamrup Asssam-781125
*T&C applicable

ফৰ্ম জি

সমগ্ৰ ভাৰতৰ বিভিন্ন স্থানত প্লাষ্টিক সামগ্ৰী আৰু অটো কম্পোনেন্ট বিভাগত কাম কৰি থকা চিনটেক্স-বিএপিএল লিমিটেডৰ বাবে আগ্ৰহ প্ৰকাশৰ বাবে আমন্ত্ৰণ

(দেউলিয়া নিয়মাৱলী ৩৬এ (১)ৰ অধীনত আৰু দেউলিয়া (কৰ্পোৰেট ব্যক্তিসকলৰ বাবে দেউলিয়া সমাধান প্ৰক্ৰিয়া) নিয়মাৱলী, ২০১৬

প্ৰাসঙ্গিক বিৱৰণসমূহ

১.	চি.আই.এন.-ৰ সৈতে কৰ্পোৰেট ঋণদাতাৰ নাম	**Sintex-BAPL Limited** U25199GJ2007PLCO51364
২.	পঞ্জীয়ন কাৰ্যালয়ৰ ঠিকনা	অভিজিত-১, ৭ম মহলা, মিঠাখালী ৬ পথ, এলিচব্ৰিজ, আহমেদাবাদ, গুজৰাট- ৩৮০০০৬
৩.	ইউ আৰ এলৰ ৱেবছাইট	**http://www.sintexbapl.co.in/**
৪.	বেছিভাগ স্থায়ী সম্পত্তি থকা স্থানৰ বিৱৰণ	ভাৰতত ১২ টা উৎপাদন সুবিধা ঃ (i) কলোল — পিপি ডিভিজন, (ii) উলুবেৰিয়া - পিপি বিভাগ, (iii) নামক্কাল - পিপি ডিভিজন, (iv) নালাগড় - পিপি ডিভিজন, (v) বুইটিবৰী - পিপি ডিভিজন, (vi) গুৱাহাটী - পিপি ডিভিজন, (vii) পুনে — আইচিএম ডিভিজন, (viii) চোহানা — আইচিএম ডিভিজন, (ix) চেন্নাই১ - আইচিএম ডিভিজন, (x) চেন্নাই ২ — আইচিএম ডিভিজন, (xi) পিটামপুৰা-আইচিএম ডিভিজন (xii) হচুৰ- আইচিএম ডিভিজন। ৱেবছাইটত আপলোড কৰা **"টিজাৰ"**ত কৰ্পোৰেট ডেবটৰৰ বিষয়ে অধিক বিৱৰণো উল্লেখ কৰা হৈছে **http://www.sintexbapl.co.in/**
৫.	মুখ্য সামগ্ৰী/ সেৱাসমূহৰ স্থাপিত ক্ষমতা	**প্লাষ্টিক সামগ্ৰী বিভাজন** শাখা / বাৰ্ষিক উৎপাদন ক্ষমতা, এমটি (মিশ্ৰ এছকেইউ) প্লাষ্টিক শাখা (পিএছ) / ৯,৩৬০ শ্বীট মোল্ডেড কম্পাউণ্ড (এছএমচি) / ১১,২৩২ ফাইবাৰ-ৰিইনফৰ্চড প্লাষ্টিক (এফআৰপি) / ১,২০০ বোটো মোল্ডিং / ৩২,৫৫৬ ব্ৰো মোল্ডিং (বিএমচি) / ১৫,০৩৬ **মুঠ / ৬৯,৩৮৪** **ভাৰতীয় কাষ্টম মোল্ডিং (অটো) বিভাগ** শাখা / বাৰ্ষিক উৎপাদন ক্ষমতা, এমটি (মিশ্ৰ এছকেইউ) ব্ৰো মোল্ডিং / ২,৬৯৯ ইনজেক্সন মোল্ডিং / ১২,৬২৮ থাৰ্মোছেটছ / ১৭৪ **মুঠ / ১৫,৫০২** **টোকা ঃ** প্ৰযুক্তি, যন্ত্ৰ, সামগ্ৰী আৰু সামগ্ৰীৰ আকাৰ মিশ্ৰণৰ ওপৰত আধাৰিত কৰি ক্ষমতা আৰু ক্ষমতাৰ ব্যৱহাৰ গণনা কৰা হয়। মিশ্ৰণটোৰ যিকোনো পৰিৱৰ্তনৰ ফলত ক্ষমতা আৰু ক্ষমতাৰ ব্যৱহাৰৰ পৰিৱৰ্তন হ'ব।
৬.	যোৱা বিত্তীয় ব